Total No. of Printed Pages—3

**2 SEM TDC ASM M 1**

**2015**

( May )

ASSAMESE

( Major )

Course : 201

**( History of Assamese Literature )**

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) 'অঃ ভাঃ উঃ সাঃ সঃ'ৰ সম্পূৰ্ণ শব্দকেইটা লিখাঁ।

(খ) প্ৰথম অসমীয়া চুটিগল্পটোৰ নাম কি?

(গ) 'সীতাহৰণ' কাব্যৰ ৰচক কোন?

(ঘ) প্ৰথম অসমীয়া সামাজিক নাটকখনৰ নাম লিখাঁ।

(ঙ) নাথান ব্ৰাউনে ৰচনা কৰা ব্যাকৰণখনৰ নাম কি?

(চ) 'মালিতা' (Ballad) কি?

(ছ) 'বাণবজা' কোন শ্ৰেণীৰ নাটক?

(জ) 'মানুহ বিচাৰি' নামৰ গ্ৰন্থখনৰ ৰচক কোন?

২। (ক) আধুনিক অসমীয়া সাহিত্যৰ চমু পৰিচয় আগবঢ়াই ইয়াৰ বিশেষত্বসমূহ আলোচনা কৰাঁ। ১০

*অথবা*

(খ) আধুনিক অসমীয়া সাহিত্য সৃষ্টিৰ পটভূমি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

৩। (ক) অৰুণোদই স্তৰৰ অসমীয়া সাহিত্যৰ পৰিচয়মূলক এটি টোকা যুগুত কৰাঁ। ১৩

*অথবা*

(খ) হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা স্তৰত আধুনিক অসমীয়া সাহিত্যলৈ আগমন ঘটা নতুন ধাৰাৰ সাহিত্যৰ এটি চমু পৰিচয় আগবঢ়োৱাঁ।

৪। (ক) জোনাকী যুগৰ অসমীয়া সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্য সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ। ৭+৬=১৩

*অথবা*

(খ) অসমীয়া চুটিগল্পৰ জন্মদাতা কোন? গল্পকাৰজনৰ চুটিগল্পৰ প্ৰধান বৈশিষ্ট্য সম্পৰ্কে এটি বিশ্লেষণ আগবঢ়োৱাঁ। ১+১২=১৩

৫। (ক) অসমীয়া নাট্য-সাহিত্যৰ ভঁৰাললৈ আৱাহন যুগৰ অৱদান শীৰ্ষক এটি টোকা লিখাঁ। ১৩

*অথবা*

(খ) অসমীয়া সাহিত্যৰ বিকাশত 'আৱাহন' আলোচনীৰ ভূমিকা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

৬। (ক) সাহিত্য-সমালোচনাৰ ক্ষেত্ৰত যুদ্ধোত্তৰ যুগৰ অৱদানৰ বিষয়ে এটি নিবন্ধ যুগুত কৰাঁ। ১৩

*অথবা*

(খ) "যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ ধাৰাটো বৰ্তমান যুগৰ কাব্য প্ৰবাহৰ প্ৰধান সুঁতি।" মন্তব্যটিৰ আধাৰত যুদ্ধোত্তৰ যুগৰ কবিতা সম্পৰ্কে এটি বিশ্লেষণ দাঙি ধৰাঁ।

৭। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৫×২=১০

(ক) নিধিবাম ফাৰবেল

(খ) 'ৰামনৱমী নাটক'

(গ) অসমীয়া শিশু-সাহিত্য

(ঘ) হেম বৰুৱা

★★★